নিয়মীয়া বাৰ্তা
VOL-14 NO-301 MONDAY 6 JANUARY 2025 (ডিব্ৰুগড় সংস্কৰণ

## কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ পদক্ষেপ

# জয়ন্ত বৰুৱালৈ হাছান ছৰিফ আহমদ সমন্বয় বঁটা

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৫ জানুৱাৰী ঃ** ৮০ বছৰ পূৰ্ণ কৰা ঐতিহাসিক ডিব্ৰুগড়স্থিত ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত বিগত বৰ্যসমূহৰ দৰে প্ৰগতিশীল সাংস্কৃতিক সৈনিক, সমন্বয়ৰ প্ৰতীক, নটসূৰ্য বঁটাপ্ৰাপক, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু সাধাৰণ সম্পাদক, শিল্পী পেঞ্চনাৰ হাছান ছৰিফ আহমদৰ নামত প্ৰদান কৰি অহা 'হাছান ছৰিফ আহমদ সমন্বয় বঁটা' এইবাৰ প্ৰদান কৰিব 'সাদিন, প্ৰতিদিন গোষ্ঠী'ৰ অধ্যক্ষ, 'অসমীয়া প্ৰতিদিন' কাকতৰ সম্পাদক জয়ন্ত বৰুৱাক। কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত ২০ জানুৱাৰীৰ পুৱা ১০ বজাত অনুষ্ঠিত হ'বলগীয়া গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বৰুৱাক সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে এই বঁটা প্ৰদান কৰা হ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই এনে এজন বিশিষ্ট, বৰণ্য ব্যক্তিক এই বঁটা প্ৰদান কৰিবৰ বাবে নিৰ্বাচিত কৰাত ছাত্ৰ একতা সভাৰ সভাপতি প্ৰাঞ্জল তাঁতী, সাধাৰণ সম্পাদক চিন্ময় কলিতাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়াক ধন্যবাদ জ্ঞাপন কৰে। ছাত্ৰ একতা সভাৰ উদ্যোগত 'হাছান ছৰিফ আহমদ সমন্বয় বঁটা' ২০২০ বৰ্ষৰ পৰা শিক্ষা, সংস্কৃতি, সাহিত্যৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়োৱা ব্যক্তিসকলক প্ৰদান কৰি আহিছে। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে পোন প্ৰথমবাৰৰ বাবে ছাত্ৰ একতা সভাই মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াক এই বঁটা প্ৰদান কৰাৰ পৰৱৰ্তী সময়ত শৈক্ষিক ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ডীন অৱ ছায়েঞ্চ ড° যোগেন চন্দ্ৰ কলিতা, অভিনয় জগতলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ স্বীকৃতিস্বৰূপে জনপ্ৰিয় অভিনেতা বিষ্ণু খাৰঘৰীয়া, শিক্ষা, সংস্কৃতিৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অমূল্য বৰঙণিৰ স্বীকৃতিস্বৰূপে শ্ৰীশ্ৰী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° শ্ৰীশ্ৰী পীতাম্বৰ দেৱগোস্বামীক এই বঁটা প্ৰদান কৰিছিল।